# দ্বিতীয় অধ্যায়

## ঢকুৱাখনা অঞ্চলৰ মঠ-মন্দিৰ সমূহৰ পৰিচয়

### ২.১ শ্ৰী শ্ৰী ঈশ্বৰীয় হাৰ্হি দেৱালয়ৰ উৎপত্তি, বিকাশ আৰু অৱস্থিতি ঃ

ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত হাৰ্হি দেৱালয়ৰ উৎপত্তি সম্পৰ্কত কোনো বুৰঞ্জী বা লিখিত তথ্য নাই। সেয়ে মানুহৰ মুখ বাগৰি অহা কথাৰ ওপৰতেই ইয়াৰ ইতিহাস নিৰূপণ কৰিবলগীয়া হৈছে। জনশ্ৰুতিমতে, [১] "দক্ষ ৰজাৰ যজ্ঞত সতীৰ দেহ ত্যাগৰ পিছত সতীৰ দেহ শিৱই কান্ধত লৈ ঘূৰি ফুৰোঁতে ভগৱান বিষ্ণুৱে সুদৰ্শন চক্ৰৰে ছেদিত কৰাত সতীৰ হাঁড় আৰু শিৰ পৰি এই থান খনৰ নাম হাৰ্হি হ'ল।" তেতিয়াৰ পৰা থান খন দেৱী পূজাৰ থলী ৰূপে বিখ্যাত হৈ পৰিল। অন্য এটা জনপ্ৰবাদ মতে, শিৱৰ অন্য এটা নাম 'হৰ', সেয়ে শিৱৰ বিপৰীতে তেঁওৰ পত্নী পাৰ্বতীৰ স্ত্ৰীলিংগৰ অৰ্থ প্ৰকাশ কৰিবৰ বাবে হাৰ্হি নামটোৰ প্ৰচলন হ'ল। আন এক তথ্য অনুসৰি, [২] "বৰ্তমান যি ঠাইত দেৱালয়খন আছে পূৰ্বতে তাৰ পৰা আগলৈ গোৱাল গাওঁতহে আছিল। মানৰ আক্ৰমণৰ সময়ত মান সেনাৰ উপদ্ৰৱৰ পৰা মন্দিৰৰ ঘৰ-দুৱাৰ, মূৰ্তি আদি নষ্ট হোৱাৰ পিছত দেৱালয়খন হাৰ্হি নৈৰ কাষত স্থাপন কৰা হয়। হাৰ্হি নদীৰ কাষত অৱস্থিত বাবে দেৱালয়খনৰ নাম হাৰ্হি হয় বুলি জনা যায়।" জনপ্ৰবাদ অনুসৰি শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰৰ কেঁচাইখাতী গোঁসানীৰ পূজাত খেলি-মেলি হোৱাত কেঁচাইখাতী গোঁসানীয়ে অৱলীলা ক্ৰমে বুঢ়ীসূতী চাপৰি, ৰায়পথাৰ, বুঢ়াকটা, বটুৱামুখ, কুলাপথাৰ, চেঙাজান, দেওঘৰীয়া, গোঁৱাল গাঁও, হাৰ্হি চাপৰিৰ পিছত বৰ্তমানৰ দেৱলীয়া গাঁৱত থিতাপি লয়। সেই সময়ত শাক্ত পন্থীৰ চুতীয়া সকলে মহা পৰাক্ৰমেৰে উত্তৰ পূব অসমত শাসন চলাইছিল। এই চুতীয়া সকলে দেউৰী পূজাৰীৰ জৰিয়তে কেঁচাইখাতী গোঁসানীক পূজা কৰিছিল।

[৩] " চুতীয়া সকল আছিল শক্তিৰ উপাসক। মাতৃতান্ত্ৰিক এই সকলৰ ভিতৰত জনা-বুজা বিদ্বান আৰু শ্ৰেষ্ঠ বিলাকেই "দেউৰী" নাম লৈ গোঁসাই- গোঁসানীৰ পূজা সেৱা চলাইছিল। " দেউৰী" শব্দ সংস্কৃত 'দেৱ

গৃহিকা' শব্দৰপৰা হৈছে বুলি সংস্কৃতজ্ঞ সকলে কব খোজে।" আহোমৰ চুহুম্ফা দিহিঙ্গীয়া ৰজাৰ দিনত আহোম আৰু চুতীয়াৰ মাজৰ যুদ্ধত চুতীয়া ৰাজ্য আহোমৰ দখললৈ যোৱাত চুতীয়া প্ৰজা সাধাৰণ আৰু দেউৰী সকলে দিহিঙেদি তাম্ৰেশ্বৰী মন্দিৰৰ বহুতো পূজাৰ সামগ্ৰী নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰি পূৰ্বৰ হাবুং তথা বৰ্তমান ঢকুৱাখনাৰ গোৱাল গাঁৱত আশ্ৰয় লয়। তাতে, সেই সময়ৰ স্বৰ্গদেউ শিৱসিংহৰ পৰা সাতশ পুৰা মাটি দেৱালয়ৰ বাবে লাভ কৰে। আৰু দেউৰী পূজাৰীৰ দ্বাৰা লগত অনা বিগ্ৰহ সমূহ সেই ঠাইত স্থপন কৰি তাম্ৰেশ্বৰীৰ দেৱী 'কেঁচাইখাতীক' নৰবলি দি পূজা-অৰ্চনা কৰা বুলি জনা যায়। পিছত মানৰ আক্ৰমনত দেৱালয়খনৰ সা-সম্পত্তি নষ্ট তথা গো-মাংসৰে থানৰ পবিত্ৰতা কলুষিত হোৱাত গোৱাল গাঁৱৰ পৰা থানখন উঠাই আনি বৰ্তমানৰ দেৱলীয়া গাঁৱত স্থাপন কৰা হয়। তেতিয়াৰ পৰা এই শক্তি পীঠখনে উক্ত স্থানতেই নৰবলিৰ পৰিবৰ্তে ম'হ, ছাগলী, হাঁহ বলিৰে কেঁচাইখাতী গোসাঁনীক ব্ৰাহ্মণ পূজাৰীৰ দ্বাৰা তান্ত্ৰিক বিধিৰে পূজা কৰি আহিছে।

বৰ্তমান ঢকুৱাখনা মহকুমাৰ পৰা প্ৰায় ৪ কিলোমিটাৰ মান পূবলৈ ঢকুৱাখনা আৰু ধেমাজি সমষ্টিৰ সীমাত ঢকুৱাখনা জানৰ পাৰত পথৰ কাষতে ঐতিহ্যমণ্ডিত শ্ৰী শ্ৰী ঈশ্বৰীয় হাৰ্হি দেৱালয়খন অৱস্থিত।

### ২.২ শ্ৰী শ্ৰী বাসুদেৱ থান নৰোৱা সত্ৰৰ উৎপত্তি, বিকাশ আৰু অৱস্থিতি ঃ

ঢকুৱাখনা মহকুমাত অৱস্থিত বাসুদেৱ থান নৰোৱা সত্ৰৰ উৎপত্তি আৰু বিকাশ সৰ্ম্পকে ইতিহাসেও স্থিৰ সিদ্ধান্ত দিব নোৱাৰে। থানখনৰ উৎপত্তি সম্পৰ্কত বিভিন্ন জনশ্ৰুতি জড়িত হৈ আছে। জনশ্ৰুতি মতে, ভীষ্মৰ কন্যা ৰুক্মিনীয়ে ভগৱান কৃষ্ণক পতি ৰূপে লাভ কৰিবলৈ বাসুদেৱ থানৰ মহিমা বিজড়িত কলীয়া শিলৰ মূৰ্তিক পূজা কৰিছিল। ৰুক্মিনীৰ স্বয়ম্বৰৰ পিছত এই মূৰ্তি অৱহেলিত হোৱাত সেই সময়ৰ থানখনৰ পূজাৰীক ভগৱান বিষ্ণুৱে ৰাতি সপোন দেখুৱাই মূৰ্তিভাগ তাৰ পৰা আঁতৰাই ভৈয়ামলৈ নি পূজা কৰিবলৈ ক'লে, লগতে এই বুলিও ক'লে যে, যেতিয়া মূৰ্তি ভাগ দাঙি আনিব তাৰ ওজন কমি পাতল হব, নদীত পানী কমিব, পৰ্বত সমতল হব আৰু যি ঠাইত এটা বেঙে সৰ্পক গিলি থকা দেখা পাব


তাতে মূৰ্তিতো নিজে গধুৰ হব। থানখনৰ সমীপৱৰ্তী লোক-সকলৰ মতে খ্ৰীঃ অষ্টম-নৱম শতিকামানতে বাসুদেৱ থান সোৱনশিৰিৰ তীৰৰ কোনো এটা স্থানত প্ৰতিষ্ঠিত হৈছিল। অন্য এটা জনশ্ৰুতি মতে, মহাপুৰুষ শঙ্কৰদেৱে ধৰ্ম প্ৰচাৰৰ বাবে নাৱেৰে আঁহোতে এখিলা ভেঁট পাতৰ ওপৰত এটা বেঙে সৰ্পক গিলি থকা দেখি ভকতসকলক তাত এগছি বন্তি জ্বলাবলৈ আজ্ঞা দিয়ে। ইয়াৰ দ্বাৰা ‘ধৰ্মই কালক গিলি থকা বুলি’ সেই ঠাইত যে এখন ধৰ্মানুস্থানৰ সৃষ্টি হব তাকো ভৱিষ্যত বাণীৰে সোঁৱৰাই দিছিল। আকৌ বাসুদেৱ থানৰ কলীয়া শিলৰ মূৰ্তিভাগ পূৰ্বতে পাণ্ডৱৰ ৰাজসূয় যজ্ঞত প্ৰতিষ্ঠা কৰা। পিছলৈ এই মূৰ্তিভাগকে সকলোৱে পূজা অৰ্চনা কৰি আহিছে। অঞ্চল বাসীৰ মাজত এনেধৰণৰ বিভিন্ন জনশ্ৰুতি মুখে-মুখে প্ৰচলিত হলেও এই বোৰে থনাখনৰ উৎপত্তি সম্পৰ্কত কোনো নিৰ্ভৰযোগ্য তথ্যৰ যোগান ধৰিব নোৱাৰে। বিভিন্ন সময়ত বিভিন্ন ঠাইত এই থানখনৰ অৱস্থিতিৰ উমান পালেও খ্ৰীষ্টীয় দশম-একাদশ শতিকাৰ কালিকাপুৰাণত বাসুদেৱ পূজাৰ বিধি-ব্যৱস্থাৰ বৰ্ণনা আৰু সেই বৰ্ণনাত থানখনৰ সমীপৰ অঞ্চলবোৰৰ অৱস্থিতিয়ে কালিকাপুৰাণতকৈ আগৰ পৰাই যে বাসুদেৱ পূজা কৰা হৈছিল, তাক অনুমান কৰিব পাৰি। [৪]“বাসুদেৱ-পূজাৰ বিহিত স্থান দিক্কৰবাসিনী পীঠ, কামৰূপৰ পূৰ্বাংশ য'ত দেৱী দিক্কৰবাসিনী, ললিতক্ৰান্তা আৰু কেঁচাইখাতী, তীক্ষ্নক্ৰন্তা এই দুই ৰূপত বিৰাজ কৰে। এই পীঠত শম্ভু আৰু ব্ৰহ্মা লিংগ ৰূপে আৰু বিষ্ণু শিলা ৰূপে বিৰাজমান। যি ইয়াৰ পবিত্ৰ নদী শীত গঙ্গাত (বগী নৈ, ঢল নৈ) স্নান কৰি শিৱ, বিষ্ণু আৰু ব্ৰহ্মাক দৰ্শন কৰে আৰু ললিতক্ৰান্তাক পূজা কৰে, তেওঁৰ পুণৰ জন্ম নহয় (৮৩,৩১,৩৬) উপপুৰাণ খনৰ দিক্কৰবাসিনীপীঠ তন্ত্ৰখনৰ সৌমাৰপীঠৰ ভিতৰত পৰে”। কলিকা পুৰাণত বৰ্ণিত শীত গংগাক ড° মহেশ্বৰ নেওগে ‘ঢল’, কোনো পণ্ডিতে সোৱণশিৰি বা কোনোৱে বলাহী গংগা বুলিও কব বিছাৰে। সি যিয়েই নহওক, এই নদী তিনিখন এতিয়াও ক্ৰমাগত ভাৱে বৈ লুইতত মিলিত হৈছে। এই নদী কেইখনত স্নান কৰি শিলাৰূপী বিষ্ণু আৰু শম্ভু, গৌৰী, ব্ৰহ্মা, ৰাম আৰু কৃষ্ণক যে তান্ত্ৰিক বিধিমতে পূজা কৰিছিল সি নিশ্চিত, কিন্তু বাসুদেৱ মূৰ্তি তাত স্থাপন হোৱা নাছিল। বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত জুৰুলা যদিও সোৱণশিৰি আৰু দিক্কৰবাসিনীয়ে গতি সলাই পূৰ্বৰে পৰা ধানে-ধনে নদন বদন পুৰণি হাবুং ৰাজ্যত সোণ সিঁচৰিত কৰি সমৃদ্ধিশালী

কৰিছিল। তেওঁলোকে দিক্কৰবাসিনী ললিতক্ৰান্তা আৰু কেঁচাইখাতীক্ৰন্তাক পূজা কৰিছিল। ৰজা ভূ-পতি বৰ্মাই খ্ৰীঃ ৬ ষ্ঠ শতিকাত বৈদিক ধৰ্ম সংস্কৃতিৰ উন্নতিৰ বাবে বিশেষ আগ্ৰহেৰে অগ্ৰাধিকাৰ দি স্থানান্তৰিত কৰা ২০০ (দুশ) বিভিন্ন গোত্ৰৰ আৰু বেদশাখাৰ ব্ৰাহ্মণসকলৰ কোনোৱে শদিয়া ৰাজ্যত পঞ্চৰাত্ৰ বাসুদেৱ পূজা প্ৰৱৰ্তন কৰিলে। পিছত এই সকল আৰ্যৰে এটা গোষ্ঠীয়ে শদিয়াত সংস্থাপন লাভ কৰি তেওঁলোকৰ মাজত প্ৰচলিত বৈদিক ধৰ্মৰ বীজ আদিবাসী সকলৰ মাজলৈ সম্প্ৰসাৰণ ঘটায়। চুতীয়া ৰজা সত্যনাৰায়ণৰ পুতেক লক্ষ্মীনাৰায়ণে চৈধ্য শতিকাত পুণ্য বিষুৱ সংক্ৰান্তিৰ দিনা ৰবিদেৱ নামৰ এজন ব্ৰাহ্মণক বসনা গাঁওৰ সৈতে ২০০ পুৰা মাটি দান কৰিছিল, এই মাটিৰ পূব ফালে স্বৰ্ণ নদী, দক্ষিণফালে পোকামাৰী, পশ্চিম সীমাত অশ্বস্থ বৃক্ষ আৰু উত্তৰে চম্পাৱতী নৈ।

তাম্ৰপাত্ৰত উল্লেখ থকা সেই সময়ৰ 'বখনা গাঁওখন' বাসুদেৱ পূজাৰ থলী আছিল। বৰ্তমানৰ বাসুদেৱ থানৰ দক্ষিণ-পশ্চিম দিশৰ সমীপৰ বৰ্যমুখ গাঁওখনেই পূৰ্বৰ বখনা গাঁওখন। এনেবোৰ দিশৰ পৰা চালে চামপৰা নৈৰ সমীপৰ থানখনেই যে, 'বাসুদেৱ থান' সেই কথা স্পষ্ট ৰূপত ওলাই পৰে। হৰিনাৰায়ণ দ্বিজৰ ৰচিত শ্ৰী ঠাকুৰ চৰিত পুথিৰ মতে, শঙ্কৰদেৱৰ পৰিনাতি দামোদৰ দেৱে কামৰূপৰ বিষ্ণুপুৰ সত্ৰৰ পৰা উজাই আহি বৰদোৱা থান উদ্ধাৰ কৰে। পিছত স্বৰ্গদেউ জয়ধ্বজ সিংহৰ সাহাৰ্যত উত্তৰ পাৰে আহি নৰোৱা সত্ৰ পাতে। দামোদৰ দেৱে প্ৰথমে বৰ্তমানৰ ধেমাজি জিলাৰ নৰোৱা থানত থাকি তাতে পুৰণি বাসুদেৱ মূৰ্তিটো স্থাপন কৰে। আকৌ অনন্ত আতাৰ চৰিত পুথিত ৰমাকান্তই স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ দিনত ৰজাৰ অনুগ্ৰহত পুৰণি বাসুদেৱ মূৰ্তিটো লাভ কৰা বুলি উল্লেখ আছে। সোৱণশিৰিৰ বানে ১৭৩৪ চনত চাৰি ভাগিত থকা সত্ৰখন উটাই নিয়াৰ পিছত ৰমাকান্তৰ পুতেক ৰামচন্দ্ৰই সত্ৰখন বাসুদেৱ মূৰ্তিৰ সৈতে আনি কঢ়া আৰু চামপৰা নৈৰ সমীপত স্থাপন কৰে। নৰোৱা সত্ৰৰ গোঁসাই ৰামচন্দ্ৰৰ পুত্ৰ ৰামদেৱৰ দিনত, বৰদোৱা সত্ৰ দুটা ভাগত বিভক্ত হোৱাত ৰামদেৱে বৰদোৱা আৰু বালিসত্ৰৰ মাজত 'ৰামপুৰ' নামেৰে নতুনকৈ সত্ৰ পাতে। বৰ্তমান এই সত্ৰৰ কোনো অস্তিত্ব বিছাৰি পোৱা নাযায়।

ৰামদেৱৰ নাতি লক্ষ্মীদেৱৰ কালচোৱাতে নৰোৱা সত্ৰই নতুন ৰূপ লাভ কৰে। সংস্কৃত শাস্ত্ৰৰ বিদগ্ধ পণ্ডিত লক্ষ্মীদেৱৰ দ্বিতীয় পুত্ৰ ৰামদেৱৰ দ্বিতীয় নাতি অচ্যুত চন্দ্ৰ আতাই বৰদোৱা, ৰামপুৰ, বালিসত্ৰ এৰি নতুনকৈ স্থাপন কৰা সত্ৰখনেই বাসুদেৱ থান নৰোৱা সত্ৰৰূপে খ্যাত হৈ পৰিল। বৰ্তমান ঢকুৱাখনা মহকুমা সদৰৰ পৰা প্ৰায় ১২ কিলোমিটাৰ মান পশ্চিমফালে চামপৰা আৰু কঢ়া নৈৰ মাজতে শ্ৰী শ্ৰী বাসুদেৱ থান নৰোৱা সত্ৰখন অৱস্থিত।

## শ্ৰী শ্ৰী বাসুদেৱ থান-নৰোৱা সত্ৰৰ অধিকাৰ সকলৰ বংশলতাৰ ৰেখা চিত্ৰ ঃ




## ২.৩ শ্ৰী শ্ৰী বৰঠাই সত্ৰৰ উৎপত্তি, বিকাশ আৰু অৱস্থিতি ঃ

ঢকুৱাখনা মহকুমা সদৰৰ সমীপৰ শ্ৰী শ্ৰী বৰঠাই সত্ৰখন আপোন মহিমা বিজড়িত ধৰ্মানুষ্ঠান। বৰঠাই সত্ৰখনৰ উৎপত্তি সম্পৰ্কে বৰ্তমান কোনো নিৰ্ভৰযোগ্য তথ্য পাবলৈ নাই। সেয়ে জনসাধাৰণৰ মুখে-মুখে পূৰ্বৰে পৰা চলি অহা কাহিনীৰ মাজতেই ইয়াৰ উৎপত্তিৰ কাৰণ সামৰিব লগীয়া হয়।

বয়োবৃদ্ধ সকলৰ মতে, [৫] ওঠৰ শতিকাৰ মাজ ভাগতে কচুগাঁৰত শ্ৰী শ্ৰী বৰঠাই সত্ৰখন স্থাপন কৰা হৈছিল যদিও ইয়াৰ প্ৰামান্য তথ্য নাই। এই সত্ৰ স্থাপনৰ লগত এক কাহিনী সংপৃক্ত হৈ আছে। শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ দিনজয় সত্ৰৰ ডিব্ৰুগড়স্থিত সত্ৰাধিকাৰে এবাৰ আহি ঢকুৱাখনাৰ কৈৱৰ্ত সমাজৰ লোকসকলক মায়ামৰা ধৰ্মৰ শিক্ষা দিছিল। ধৰ্মচৰ্চাৰ ক্ষেত্ৰত মায়ামৰা ধৰ্মৰ কল্পতৰু বীজ মন্ত্ৰ আৰু ভক্তি-মঙ্গল ঘোষা অতি অপৰিহাৰ্য। সেইবাবে ঢকুৱাখনা মায়ামৰা সম্প্ৰদায়ৰ বহু ভকতে সত্ৰাধিকাৰ শ্ৰীশ্ৰী হৃদয়ানন্দ প্ৰভুক শাস্ত্ৰ কেইভাগি শিকাবলৈ অনুৰোধ জনালে। তেতিয়া সত্ৰাধিকাৰে সেই অনুৰোধ ৰক্ষা কৰিব বিচৰাত ভকতসকলে সেই সময়ৰ লিখিব পঢ়িব জনা কচু গাঁওবুঢ়াক ধৰ্মশিক্ষা লবলৈ পঠালে। সেই মৰ্মে সত্ৰা ধিকাৰে ধৰ্ম চৰ্চাৰ শিক্ষা দি ভূঞা ডাঙৰীয়া নামৰ ধৰ্মৰ জ্ঞান থকা এজন লোকক উদ্দেশ্য কৰি ভকতসকলক ক'লে যে, শাস্ত্ৰৰ লগতে ভূঞা ডাঙৰীয়াক দি পঠাইছে, তেওঁ কেৰলীয়া ভকত, ভৱিষ্যতে নাতি-পুতিৰ মুখ দেখিলে সন্তোষ হব। সত্ৰাধিকাৰে এনেদৰে ভূঞা ডাঙৰীয়াক ডাঙৰীয়া পাতি দিয়াত গুৰুৰ কথা মতে ভকতসকলে ধৰ্ম শাস্ত্ৰৰ লগতে ধৰ্ম গোলা আনি ঢকুৱাখনাৰ কচু গাঁৰত স্থাপন কৰিলে। লগতে ভূঞা ডাঙৰীয়াৰ লগত কচু পৰিয়ালৰ জীয়ৰীৰ বিবাহ কৰাই সংসাৰ পাতি দিলে। যদিও ই জনসাধাৰণৰ মুখে-মুখে প্ৰচলিত কাহিনী, তথাপিও এই কাহিনীৰ মাজতেই বৰঠাই সত্ৰ আৰু ডাঙৰীয়া ঘৰৰ ইতিবৃত্ত জড়িত হৈ আছে। বৰ্তমান বৰঠাই সত্ৰত ভূঞা ডাঙৰীয়াকে ধৰি মণি, গোফিয়া, ভোবোলা, লম্বোদৰ, কনগুটি, তৰুণ আৰু ডিম্বেশ্বৰ ডাঙৰীয়াই ধৰ্মীয় দায়িত্ব পালন কৰি আহিছে।

বৰ্তমানৰ যি ঠাইত শ্ৰী শ্ৰী বৰঠাই সত্ৰখন আছে, পূৰ্বতে তাৰ পৰা কিছু আগলৈ দক্ষিণ ফালে আছিল কিন্তু ১৯৬০ দশকত সত্ৰখন বৰ্তমানৰ ঠাইত স্থাপন কৰা হয়।

**শ্ৰী শ্ৰী বৰঠাই সত্ৰৰ ডাঙৰীয়া পৰিয়ালৰ বংশলেখাৰ ৰেখা চিত্ৰ ঃ**




**২.৪ গোপালপুৰ সত্ৰৰ উৎপত্তি, বিকাশ আৰু অৱস্থিতি ঃ**

ঢকুৱাখনা মহকুমাৰ ঘিলামৰাত অৱস্থিত গোপালপুৰ সত্ৰৰ সৈতে দামোদৰ দেৱৰ দিনতে সূত্ৰপাত হোৱা সংহতি বিভাজনৰ ইতিহাস একাত্ম হৈ আছে । মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ উত্তৰাধিকাৰক লৈ মাধৱদেৱ আৰু দামোদৰ দেৱৰ মাজত মনোমালিন্য হোৱাত, দামোদৰ দেৱে হৰিদেৱ, যদুমণি দেৱ আৰু আন-আন অনুগামীৰ লগতে ব্ৰাহ্মণ অধিকাৰৰ সত্ৰসমূহৰ সহযোগত ক্ৰমে 'দামোদৰীয়া' আৰু পিছলৈ 'ব্ৰহ্মসংহতি' ৰূপে প্ৰতিষ্ঠা লাভ কৰিলে। নতুনকৈ প্ৰতিষ্ঠিত এই ব্ৰহ্মসংহতিৰ সত্ৰ সমূহে পৰমব্ৰহ্ম বিষ্ণুৰ বিগ্ৰহ আৰু শালগ্ৰামক বামুণীয়া ৰীতিৰে পূজা কৰি পৃথকত্ব প্ৰতিপন্ন কৰিলে। সেয়ে ব্ৰহ্ম সংহতিৰ সত্ৰসমূহত ভগৱান বিষ্ণুৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰি বৈদিক বিধিৰ লগতে ব্ৰাহ্মণ ৰীতিৰ পূজা ও প্ৰসংঙ্গ প্ৰণালীৰে কৰিবলৈ ললে। ব্ৰহ্মসংহতিৰ আউনিআটি, দক্ষিণপাট, গড়মূৰ আৰু কুৰুৱাবাহী সত্ৰই বামুনীয়া চাৰিসত্ৰ

ৰূপে খ্যাতি লাভ কৰি ৰজাঘৰীয়া সাহার্য্যও লাভ কৰিছিল। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ সাহার্য্য লাভ কৰা দামোদৰ দেৱ, পাটবাসী সত্ৰৰ অধিকাৰ বলদেৱ আৰু বণমালী দেৱৰ ভিতৰত বনমালী দেৱে স্বৰ্গদেউ জয়ধ্বজ সিংহৰ অনুগ্ৰহ লাভ কৰি ১৬৬২ খ্ৰীঃত কড়া আৰু কুমতীয়া নৈৰ সঙ্গমস্থলত গোপাল মূৰ্তি স্থাপন কৰি যি খন সত্ৰ প্ৰতিষ্ঠা কৰিলে, সেই সত্ৰখনেই গোপালপুৰ সত্ৰ ৰূপে খ্যাত হৈ পৰিল। যদিও দুখন নদীৰ সঙ্গম স্থলত সত্ৰখন প্ৰতিষ্ঠিত তথাপিও তুলনামূলক ভাৱে ওখ ঠাইখনত বানপানীৰ উপদ্ৰৱ নাছিল। স্বৰ্গদেউ চক্ৰধ্বজ সিংহই সত্ৰখনলৈ দান কৰা ৬০০ বিঘা মাটিত দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰৰ অধীনত চেনিমৰা খাত, হিলৈমৰাখাত, গোপালপুৰখাত, টেঙামৰাখাত আদিত সত্ৰৰ শিষ্যক মাটি ভোগ কৰিবলৈ সংস্থাপন কৰা হৈছিল। সেই বাবেই এই খাতবোৰ এতিয়াও ভকত গাঁও ৰূপে পৰিচিত হৈ আছে। বনমালী দেবকে ধৰি কৃষ্ণদেৱ, হৰিদেৱ, নৰদেৱ আদি অধিকাৰ সকলে দক্ষিণপাটৰ পৰাই সত্ৰখন পৰিচালনা কৰি থা কিলেও বানপানীকে ধৰি বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত গোঁসাই মহন্ত সকলে এই সত্ৰখনত মাজে মাজে বাস কৰিব লগা হৈছিল। কিন্তু ১৯৭৬ চনৰ ছিলিং এক্টৰ দ্বাৰা সত্ৰখনৰ মাটি সম্পত্তি অধিগ্ৰহণ কৰাৰ লগতে দক্ষিণপাট সত্ৰৰ লগত পূৰ্বৰ সম্পৰ্ক বিছিন্ন হোৱাৰ বাবে গোপালপুৰ সত্ৰৰ বিকাশৰ পথ স্তব্ধ হৈ পৰিল। বৰ্তমান একেবাৰে নগন্যতম শিষ্য-ভকতেৰে পূজাৰীয়ে কোনো মতে শলিতা গছি জ্বলাই ৰাখিছে সত্ৰখনত। সত্ৰখনক এনে মৃত্যুমুখী অৱস্থাৰ পৰা উদ্ধাৰ কৰিবলৈ শিষ্য-ভকতৰ লগতে, স্থানীয় ৰাইজৰ সহযোগ নহলেই এদিন কালৰ গৰ্ভত বিলীন হৈ যাব। ঢকুৱাখনা মহকুমাৰ অন্তৰ্গত ঘিলামৰ তিনিআলিৰ পৰা ৩ কিলোমিটাৰ মান উত্তৰ-পূবৰ কড়া আৰু কুমতীয়া নদীৰ সঙ্গম স্থলতেই গোপালপুৰ সত্ৰখন অৱস্থিত।

**২.৫ গোবিন্দপুৰ সত্ৰৰ উৎপত্তি, বিকাশ আৰু অৱস্থিতি ঃ**

এফালে কড়া আৰু আনফালে বলাহী গংঙ্গা নৈৰ মাজৰ ভূ-খণ্ডই আছিল গোবিন্দপুৰ সত্ৰৰ উৎপত্তিস্থল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মৰ উত্তৰাধিকাৰ কেন্দ্ৰিক অসন্তুষ্টিত দামোদৰদেৱে ভগৱানদেৱ,

গোপাল মিশ্ৰ, মনোহৰ কায়স্থৰ সহযোগত অসমৰ বিভিন্ন প্ৰান্তত ধৰ্ম প্ৰচাৰ কৰিছিল। পিছত ভগৱান দেৱেই গোবিন্দ মূৰ্তিৰ সংস্থাপনেৰে এই দুই নৈৰ মাজৰ ঠাই খিনিত গোবিন্দপুৰ সত্ৰ প্ৰতিষ্ঠা কৰে।

পৰৱৰ্তী সময়ত [৬]“আউনিআটি সত্ৰৰ প্ৰতিষ্ঠাতা নিৰঞ্জন বাপুৱে স্বৰ্গদেউ শিৱসিংহৰ ৰাজত্বকালত কড়া নৈৰ দক্ষিণ পাৰত বৰ্তমানৰ পুৰণা গোবিন্দপুৰত ১৫৫৩ খ্ৰীষ্টাব্দত গোবিন্দপুৰ সত্ৰ স্থাপন কৰে। সত্ৰৰ নামঘৰৰ মণিকূটত শ্ৰী শ্ৰী গোবিন্দৰ মূৰ্তি আৰু ভাগৱত আসন প্ৰতিষ্ঠাৰ পৰাই গোবিন্দপুৰ সত্ৰ নামকৰণ কৰা হয়। পিছত বানপানীয়ে বাৰিষাকালত সত্ৰখনত তল নিযায় আৰু খৰালি কালত বনৰীয়া হাতীয়ে উপদ্ৰৱ কৰা বাবে এই সত্ৰখন ঢকুৱাখনা থানাৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ পূবে ঢকুৱাখনা-ধেমাজি গড়কাপ্তানি পথৰ কাষত বৰ্তমানৰ গোবিন্দপুৰ গাঁৱত আজিৰ পৰা দুশ বছৰ আগতে স্থানান্তৰিত কৰা হয়।” তাৰ ফলস্বৰূপেই ‘পুৰণা গোবিন্দপুৰ’ বৰ্তমান এখন গাঁও ৰূপে আৰু নতুনকৈ সত্ৰ স্থাপিত হোৱা ঠাইখন ‘গোবিন্দপুৰ’ নামেৰে পৰিচিত হৈ পৰিল। তেতিয়াৰ পৰা সত্ৰখন আউনিআটি সত্ৰৰ দ্বাৰা পৰিচালিত হৈ আছে। বৰ্তমানেও আউনিআটি সত্ৰৰ অধিকাৰে শিষ্য-ভকতৰ জৰিয়তে এই সত্ৰৰ মাটি, সা-সম্পত্তিৰ ভোগ দখল কৰি থকাৰ লগতে তেওঁলোকৰ দ্বাৰাই নিযুক্ত ব্ৰাহ্মণ পূজাৰীয়ে সত্ৰখনত বামুণীয়া নীতি-নিয়মেৰে গোবিন্দমূৰ্তি আৰু শাল গ্ৰামৰ পূজা কৰি আহিছে।

বৰ্তমান ঢকুৱাখনা মহকুমা সদৰৰ পৰা প্ৰায় ৫ কিলোমিটাৰ উত্তৰ-পূব দিশে ধেমাজি-ঢকুৱাখনা পথৰ কাষতেই গোবিন্দপুৰ সত্ৰৰ নামংকিত বাটচৰা; আৰু সেই বাট চ’ৰাৰে গৈ এটা কেঁকুৰী পাৰ হৈ ‘গোবিন্দপুৰ’ গাঁওখনতেই সত্ৰখন অৱস্থিত।

**৩.৬ গৰখীয়া দ’লৰ উৎপত্তি, বিকাশ আৰু অৱস্থিতি ঃ**

ঢকুৱাখনা মহকুমাৰ কেঁকুৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত চেলাজান কছাৰী গাঁও (বাঘচুক)ত অৱস্থিত গৰখীয়া দ’ল অন্যতম কীৰ্তি চিহ্ন ৰূপে পৰিচিত। এই দ’লটোৰ উৎপত্তিৰ সম্পৰ্কত কোনো ঐতিহাসিক

সমল পোৱা হোৱা নাই। মাত্ৰ গাঁও খনৰ বয়োজ্যেষ্ঠ ব্যক্তিসকলৰ মুখে-মুখে তেওঁলোকৰ পূৰ্বপুৰুষৰ পৰা বাগৰি অহা জনপ্ৰবাদৰ ওপৰতেই দ'লটোৰ উৎপত্তিৰ আভাস পাব পাৰি।

চেলাজান কছাৰী গাঁৱৰ বয়োজ্যেষ্ঠ ব্যক্তি মখনা হাজৰিকাৰ পৰা পোৱা তথ্য অনুসৰি, [৭] অতীতত গৰখীয়া ল'ৰাই ফৰিং ধৰি বলি দি ধেমালি কৰি থাকোঁতে, এদিন এজন গৰখীয়া ল'ৰাই ফৰিং ধৰি আনিব নোৱাৰাত তেওঁক বিৰিণাৰ পাতেৰে ডিঙিত ৰেপি বলি দিলে। তেতিয়াৰ পৰাই ঠাইখনত দেৱী পূজাৰ প্ৰচলন কৰা হ'ল। বাঘচুক গাঁৱৰে ব্যক্তি মীনকান্ত বড়াৰ মতে; [৮] "মানৰ আক্ৰমণত গোলাঘাটৰ পৰা অহা চেলাজান কছাৰী গাঁৱৰ লোকসকলে উদ্ধাৰ কৰা বাবে দ'লটো যে মানৰ আক্ৰমণৰ আগৰ পৰাই সেই স্থানত অৱস্থিত সেই কথা প্ৰতীয়মান কৰে।" কলচী বিহীন দ'লটো আকৃতিত আঠ কোণীয়া। উচ্চতা মাটিৰ পৰা প্ৰায় বাৰ ফুট। ৱেসৰ ভংগীৰ দ'লটোৰ স্থাপত্য অসমৰ আন মন্দিৰৰ লগত নিমিলে। দ'লটোৰ পৰা ৩০ ফুট মান দূৰত সন্মুখৰ দক্ষিণ ফাললৈ ইটাৰে নিৰ্মিত বেদী সদৃশ ভেটি এটা লক্ষ্য কৰা যায়। ই দেখাত অন্য দ'লৰ ভগ্নাংশশেষ যেন লাগিলেও সূক্ষ্মদৃষ্টিৰে চালে এটা কথা অনুমান হয় যে ই এখন বলিপীঠ। ইয়াৰ ওপৰতেই গোলাকৃতিৰ শিলত ৯ ছেঃ মিঃ দৈঘ্যৰ চৰণ যুগল আছে। বেদীটোৰ পূব ফালে মাটিত পোতখাই থকা এটা কুঁৱাৰ ভগ্নাংশশেষ পোৱা যায়। গৰখীয়া দ'লত উদ্ধাৰকৃত দ'ল, বেদী বা কুঁৱাটোৰ ইটাবোৰ আহোম যুগৰ ইটাৰ লগত নিমিলে। গতিকে দ'লটো আহোম যুগত নিৰ্মিত বুলি ভাবিবলৈ গৈও থমকিব লগা হয়। [৯] "তাম্ৰেশ্বৰী কেঁচাইখাতী দেৱীৰ অংশ আৰু চুতীয়া ৰজাৰ দ্বাৰা নিৰ্মিত বুলিও ভাবিব নোৱাৰি, কাৰণ দেউৰী-চুতীয়াসকলৰ পূজা আছিল অনাৰ্য পদ্ধতিৰ আৰু বলিৰ বাবে সালংকৃত বলিপীঠৰ পৰিবৰ্তে আছিল বলিশাল। এই অঞ্চলৰ (অবিভক্ত লখিমপুৰ জিলা) পুৰণি অধিবাসী আছিল শাক্তধৰ্মী বাৰভূঞা সকল। এওঁলোকে খৃষ্টাব্দ ষষ্ঠ শতিকামানৰ পৰাই (ভূপতিবৰ্মাৰ শিলালিপি) মধ্য ভাৰতৰ পৰা আহি ইয়াত উপনিৱেশ পাতিছিল আৰু তাত থকা কালচোৱাত দ্ৰাবিড় সংস্কৃতিৰ সংস্পৰ্শলৈ আহিছিল। গতিকে দক্ষিণ ভাৰত আৰু উত্তৰ ভাৰতৰ সংমিশ্ৰিত ৱেসৰ শৈলীৰ দ'লৰ লগত এওঁলোকৰ পৰিচয় আছিল। এই দ'লটো বেসৰ শৈলীৰ আৰু দক্ষিণ ভাৰতীয় দ'লবোৰৰ দৰে চাপৰ অথচ সম্পূৰ্ণকৈ আৰ্য হিন্দু

শাস্ত্ৰৰ আদৰ্শ আৰ্হিৰে নিৰ্মিত হোৱাৰ বাবে বাৰভূঞা সকলেই তেওঁলোকৰ এই ঠাইত বসবাসৰ প্ৰাৰম্ভিক কালচোৱাত (খৃঃ দশম একাদশ শতিকাত) নিৰ্মাণ, কৰিছিল নিশ্চয় ! পাছলৈ প্ৰাকৃতিক দুৰ্যোগ, বিশেষকৈ বানপানীৰ উপদ্ৰৱ আৰু হয়তো ৰাজনৈতিক কাৰণত থানখন পৰিত্যক্ত হ'ল।"

**২.৭ প্ৰসিদ্ধ মন্দিৰৰ উৎপত্তি, বিকাশ আৰু অৱস্থিতি ঃ**

পূব ঢকুৱাখনা পঞ্চায়তৰ অন্তৰ্গত, ঢকুৱাখনা মহকুমা সদৰৰ পৰা প্ৰায় ৮ কিঃ মিঃ মান নিলগৰ 'বান্দানা' নামৰ ঠাইখিনিতে পৰম পুৰুষোত্তম শ্ৰীশ্ৰী প্ৰসিদ্ধ চন্দ্ৰ দেৱ মহামন্দিৰ অৱস্থিত। বৰ্তমানৰ পৰিচালনাৰ দায়িত্বত থকা হেমকান্ত পেগুৰ পৰা লোৱা তথ্য মতে শিৱসাগৰৰ মানকটা তিনিআলিত থকা প্ৰসিদ্ধ মন্দিৰৰ আধ্যাত্মিক ভাৱাদৰ্শৰে অনুপ্ৰাণিত হৈ ১৯৮৬ চনত এই মন্দিটোৰ নিৰ্মাণ কৰে। চৌপাশৰ ধুনীয়া প্ৰাকৃতিক পৰিবেশত বৰ্তমান নিৰ্মাণৰত মন্দিৰটোৰ পৰিবৰ্তে কাষতে অস্থায়ী গৃহত পূজা-অৰ্চনা কৰি থকা হৈছে। মূলতঃ বিষ্ণু পূজা কৰা এই মন্দিৰটোৰ নিৰ্মাণৰ এবছৰ পিছতেই ১৯৮৭ চনত উত্তৰ লখিমপুৰৰ পানীগাঁৱত আৰু বৰ্তমান ঢকুৱাখনাৰে কপহুৱা গাঁৱত ইয়াৰ উপশাখা ৰূপে আন এটা মন্দিৰ স্থাপন কৰি পূজা অৰ্চনা অব্যাহত ৰাখিছে।

**প্ৰসঙ্গটোকা ঃ**

১। কালিকা পুৰাণৰ ১৮ শ অধ্যায়ত সতীৰ শিৰ কামৰূপৰ পূৱ অঞ্চলত পতিত হোৱা বুলি উল্লেখ থকা কাহিনীৰ ভিত্তিত সৃষ্টি হোৱা কিং বদন্তি।

২। বৰ্তমানৰ পূজাৰী ললিত বৰঠাকুৰৰ পৰা পোৱা তথ্য (হাৰ্হি দেৱালয়) বয়স - ৬৭

৩। নিৰ্মল প্ৰভা বৰদলৈ ঃ দেৱী, পৃষ্ঠা - ১৮৪

৪। মহেশ্বৰ নেওগ ঃ পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, পৃষ্ঠা - ২৭

৫। ইন্দ্ৰেশ্বৰ দাসৰ পৰা পোৱা তথ্য (স্থানীয় ব্যক্তি, বৰঠাই সত্ৰ), বয়স - ৬৮

৬। জিতৰাম কলিতা ঃ ইতিহাসে গৰকা ঢকুৱাখনা, পৃষ্ঠা - ১০

৭। মখনা হাজৰিকাৰ পৰা পোৱা তথ্য (স্থানীয় ব্যক্তি, গৰখীয়া দ'ল) বয়স - ৭৩

৮। মিনকান্ত বড়াৰ পৰা পোৱা তথ্য (গৰখীয়া দ'ল), বয়স - ৫২

৯। অজিত বুঢ়াগোঁহাই (সম্পা.) ঃ অৰবিন্দ ৰাজখোৱা, লক্ষীমপুৰ জিলাৰ ইতিহাস-প্ৰসিদ্ধ ধৰ্মীয় স্থান সমূহ; স্মৃতিগ্ৰন্থ,নমামি ব্ৰহ্মপুত্ৰ, ঢকুৱাখনা- ২০১৭ - পৃষ্ঠা -৭৯-৮০